# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-05-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

নগাঁও জিলাৰ হয়বৰগাঁও ৰে'ল ষ্টেচনকে ধৰি দেশৰ ১৮ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০৩টা অমৃত ষ্টেচন আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিকানেৰৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে মুকলি কৰে। এই উপলক্ষে হয়বৰগাঁও অমৃত ষ্টেচনত উত্তৰ-পূব সীমান্ত ৰে'লৱেই আয়োজন কৰা অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ ১০৩টা ৰে'ল ষ্টেচনক অমৃত ভাৰত ষ্টেচন হিচাপে নতুন ৰূপত গঢ় দি ভাৰতীয় ৰে'লৰ বিকাশত নতুন মাত্ৰা প্ৰদান কৰিলে। অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী কেশৱ মহন্ত, নাগালেণ্ডৰ সাংসদ এছ এছ জমিৰ, উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য মহাপ্ৰবন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱ, প্ৰাক্তন ৰে'ল ৰাজ্য মন্ত্ৰী ৰাজেন গোহাঁইকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অমৃত ভাৰত ষ্টেচন যোজনাৰ অধীনত ১৫ কোটি ৮৫ লাখ টকা ব্যয়ৰে আধুনিকীকৰণ কৰা প্ৰায় ১৩৮ বছৰ পুৰণি হয়বৰগাঁও ষ্টেচন এতিয়াৰে পৰা যাত্ৰীসেৱাৰ বাবে উৎকৃষ্ট স্থান হৈ পৰিব বুলি আশা কৰা হৈছে।

উল্লেখযোগ্য যে অমৃত ষ্টেচনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা, বিনামুলীয়া ৱাইফাইৰ সুবিধাৰ লগতে ষ্টেচনসমূহত শ্ব'পিংমল আৰু ইণ্টাৰনেট কেফেৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেচনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিছে।

ooooo

মণিপুৰত নাগৰিক সমাজৰ উমৈহতীয়া সংগঠনে আহ্বান জনোৱা ধৰ্মঘটৰ ফলত উপত্যকাৰ জিলাসমূহৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। উখৰুলত চলি থকা শ্বিৰই লিলি উৎসৱত ভাগ ল'বলৈ যোৱা ৰাজ্যিক জনসংযোগ বিভাগৰ এখন বাছৰ যাত্ৰীসকলৰ প্ৰতি সেনা বাহিনীৰ লোকে অৱজ্ঞাসূচক আচৰণ কৰাৰ প্ৰতিবাদত এই ৪৮ ঘণ্টীয়া ধৰ্মঘটৰ আহ্বান জনোৱা হৈছে। আমাৰ ইম্ফলৰ সংবাদদাতাই জনোৱা মতে ২০ গৰাকী সংবাদকৰ্মী আৰু মণিপুৰ চৰকাৰৰ জনসংযোগ বিষয়াৰ এটা দল মণিপুৰ ৰাজ্যিক পৰিবহণ নিগমৰ এখন বাছেৰে উখৰুললৈ গৈ থকা অৱস্থাত ইম্ফল পূব জিলাৰ গোৱালতাবিত থকা তালাচী চকীত সেনা বাহিনীৰ চতুৰ্থ মাহাৰ ৰেজিমেণ্টৰ এটা দলে আগচি ধৰে। সেনা বাহিনীয়ে বাছখনত লিখা মণিপুৰ ৰাজ্যিক পৰিবহণ শব্দকেইটা মোহাৰি নেপেলোৱা পৰ্যন্ত বাছখন যোৱাত বাধা দিয়ে। এই কাৰ্যৰ সাংবাদিকসকলে প্ৰতিবাদ জনায় আৰু ইম্ফললৈ উভতি আহে। ইয়াৰ প্ৰতিবাদত মণিপুৰৰ উপত্যকা জিলাকেইখনৰ নাগৰিক সমাজৰ উমৈহতীয়া মঞ্চই এই ৪৮ ঘণ্টীয়া ধৰ্মঘটৰ আহ্বান জনায়। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই এই ঘটনাৰ এটা তদন্ত চলাবলৈ আৰু ১৫ দিনৰ ভিতৰত এই তদন্তৰ প্ৰতিবেদন দিবলৈ নিৰ্দেশ দিছে।

ooooo

আজি আন্তঃৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ দিৱস। জৈৱ বৈচিত্ৰৰ সংৰক্ষণ আৰু এই ক্ষেত্ৰত জনসাধাৰণক সজাগ আৰু শিক্ষিত কৰাৰ লক্ষ্যৰে প্ৰতিবছৰে আজিৰ দিনটো জৈৱ বৈচিত্ৰ দিৱস হিচাপে পালন কৰি অহা হৈছে। এই বছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে- **প্ৰকৃতিৰ সৈতে সমন্বয় আৰু বহনক্ষম উন্নয়ন**। জৈৱ বৈচিত্ৰৰ ক্ষেত্ৰত চহকী অসমৰ ৰাষ্ট্ৰীয় উদ্যান, বন্যপ্ৰাণী অভয়াৰণ্য, বনাঞ্চল আদিয়ে ৰাজ্যখনৰ জৈৱ বৈচিত্ৰৰ প্ৰতিপালন আৰু সংৰক্ষণৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আন্তঃৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ দিৱসৰ ক্ষণত এইক্ষেত্ৰত নিষ্ঠাৰে কাম কৰি অহা ব্যক্তি তথা অনুষ্ঠানসমূহলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিজেপিৰ ত্ৰিৰংগ যাত্ৰা অব্যাহত আছে। মৰিগাঁৱৰ জাগীৰোডত উলিওৱা ত্ৰিৰংগ যাত্ৰাত আজি বহুসংখ্যক লোকে অংশগ্ৰহণ কৰে। সেনাবাহিনীৰ পৰাক্ৰম আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্ণায়ক নেতৃত্বৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ অংশ হিচাপে উলিওৱা এই ত্ৰিৰংগ যাত্ৰাত মন্ত্ৰী পীযূষ হাজৰিকা, বিধায়ক ৰমাকান্ত দেউৰীকে ধৰি বিজেপিৰ মৰিগাঁও জিলাৰ সভাপতি তথা দলৰ কাৰ্যকৰ্তাসকলে অংশগ্ৰহণ কৰে। মন্ত্ৰী হাজৰিকাই দেশমাতৃৰ সুৰক্ষা আৰু সেৱাৰ এই যাত্ৰাত ৰাষ্ট্ৰীয় পতাকাখনে প্ৰতিগৰাকী ভাৰতীয়ক সদায় একতাৰ দোলেৰে বান্ধি ৰাখিব বুলি উল্লেখ কৰে।

নগাঁও জিলাত নাগৰিক সমাজ, নগাঁও জিলা সমিতিৰ উদ্যোগত আজি বিয়লি নেহৰুবালিৰ পৰা ত্ৰিৰংগ যাত্ৰাৰ কাৰ্যসূচী উলিওৱা হয়। নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাৰ নেতৃত্বত আৰম্ভ হোৱা এই যাত্ৰাত শতাধিক লোকে অংশগ্ৰহণ কৰি হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ দেশমাতৃৰ বন্দনা কৰে।

ooooo

ৰাজ্যৰ শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে আজি বজালী জিলাৰ আয়ুক্ত কাৰ্যালয়ত জিলাখনৰ আয়ুক্ত মৃদুল কুমাৰ দাস, জিলা উন্নয়ন আয়ুক্ত আশ্বৰাফুল আমিন আদিকে ধৰি কেইবাটাও বিভাগৰ মুৰব্বী বিষয়াসকলৰ লগত পৰ্যালোচনা বৈঠকত মিলিত হয়। জিলাখনৰ অভিভাৱক মন্ত্ৰী শ্ৰীফুকনে সমাজ কল্যাণ, লোক নিৰ্মাণ, উদ্যোগ, কৃষি, শিক্ষা, ৰাজহ আৰু দক্ষতা বিকাশ বিভাগত অগ্ৰাধিকাৰ দি সেই বিভাগসমূহৰ আঁচনিসমূহ বিশেষকৈ অৰুণোদয়, মিছন বসুন্ধৰা, শস্য ক্ৰয়, অংগনবাড়ী কেন্দ্ৰ, একলব্য মডেল ৰেছিডেন্সিয়েল স্কুল আদি ক্ষীপ্ৰ ৰূপায়ণ সন্দৰ্ভত দিহা-পৰামৰ্শ আগবঢ়ায়।

ooooo

টাইৱানৰ টাইপেই চহৰত অনুষ্ঠিত বিশ্ব মাষ্টাৰ্ছ গেমছৰ ডিছকাছ থ্ৰ’ প্ৰতিযোগিতাত কোকৰাঝাৰৰ নীলা বসুমতাৰীয়ে সোণৰ পদক অৰ্জন কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰ পূৰ্বে নীলাই এই আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত শ্বটপুট দলিয়াই ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল। প্ৰতিযোগিতাৰ ত্ৰিপ’ল জাম্পত তিনিচুকীয়াৰ গীতাঞ্জলি বৰাই ৰূপৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়।

ooooo

সমাপ্ত